# Universalization of the Membership of the International Solar Alliance (ISA)

July 31, 2020

## আন্তঃৰাষ্ট্ৰীয় সৌৰ সহযোগিতা(আই এছ এ)ৰ সদস্যতাৰ সাৰ্ব্বজনীনকৰণ

জুলাই 31, 2020

1. পেৰিছৰ চি অ পি 21-ৰ সময়ছোৱাত মাননীয় ভাৰতৰ প্ৰধানমন্ত্ৰী আৰু ফ্ৰান্সৰ ৰাষ্ট্ৰপতিয়ে যুটীয়াভাৱে আন্তঃৰাষ্ট্ৰীয় সৌৰ সহযোগিতাৰ উদ্বোধন কৰে। ইয়াৰ উদ্দেশ্য হৈছে সৌৰ শক্তিৰ দ্ৰুত আৰু বিশাল স্থাপনৰ জৰিয়তে পেৰিছ জলবায়ু চুক্তিৰ কাৰ্যকৰীকৰণত বৰঙণি আগবঢ়োৱা। 30 জুলাই 2020 পৰ্যন্ত 87 খন দেশে আই এছ এ-ৰ পৰিকাঠামোগত চুক্তিত স্বাক্ষৰ কৰে আৰু তাৰে 67 খন দেশে তেওঁলোকৰ অনুমোদন পত্ৰ জমা কৰে।

2. 3 অক্টোবৰ 2018ত আয়োজিত আই এছ এ-ৰ প্ৰথম সাধাৰণ বৈঠকত ট্ৰপিকছৰ বাহিৰত আন্তঃৰাষ্ট্ৰীয় সৌৰ সহযোগিতাৰ সদস্যতাৰ সাৰ্ব্বজনীনকৰণ লাভ কৰাৰ কাৰণে ভাৰতৰ প্ৰধানমন্ত্ৰীৰ লক্ষ্য অনুসৰি আন্তঃৰাষ্ট্ৰীয় সৌৰ সহযোগিতাৰ প্ৰতিষ্ঠাত পৰিকাঠামোগত চুক্তিৰ সংশোধন গৃহীত কৰা আৰু ৰাষ্ট্ৰসংঘৰ সকলো সদস্য ৰাষ্ট্ৰলৈ আই এছ এ-ৰ সদস্যতাৰ সুযোগ প্ৰসাৰিত কৰা।

3. আই এছ এ-ৰ পৰিকাঠামোগত চুক্তিৰ আদেশ অনুসৰি প্ৰয়োজনীয় সংখ্যক আই এছ এ-ৰ সদস্য ৰাষ্ট্ৰৰ পৰা প্ৰয়োজনীয় সমৰ্থন/ অনুমোদন/ স্বীকৃতি লাভ কৰাৰ পিছত উক্ত সংশোধনী 15 জুলাই 2020 তাৰিখে কাৰ্যকৰী হয়। আই এছ এ-ৰ পৰিকাঠামোগত চুক্তিৰ সংশোধনে ৰাষ্ট্ৰসংঘৰ সদস্য ৰাষ্ট্ৰসমূহৰ লগতে আন ৰাষ্ট্ৰসমূহকো আন্তঃৰাষ্ট্ৰীয় সৌৰ সহযোগিতাত যোগদান কৰাৰ সুবিধা প্ৰদান কৰিব।

4. আই এছ এ-ৰ লক্ষ্য কাৰিকৰী, বিত্ত আৰু সামৰ্থ অনুসৰি সৌৰ শক্তিৰ বিশাল স্থাপনাৰ ক্ষেত্ৰত মূখ্য বাধাসমূহৰ এক সন্মিলিত প্ৰতিক্ৰিয়া প্ৰদান কৰাৰ কাৰণে ৰাষ্ট্ৰসমূহক একত্ৰিত কৰা। ইয়াৰ উদ্দেশ্য হৈছে সদস্য ৰাষ্ট্ৰসমূহক সংহত কৰা, আন্তঃৰাষ্ট্ৰীয় সংগঠনসমূহৰ পৰা প্ৰতিশ্ৰুতি গ্ৰহণ কৰা আৰু বেচৰকাৰী ক্ষেত্ৰক সংগঠিত কৰা, গ্ৰাম্য আৰু বিকেন্দ্ৰীভূত প্ৰয়োগসমূহক সমৰ্থন কৰা, সুলভ বিত্ত সুবিধা, দ্বীপ আৰু গাওঁসমূহত সৰু সৌৰ গ্ৰীড, ৰুফটপ ইনষ্টলেশ্বন, আৰু সৌৰ ই-মবিলিটি প্ৰযুক্তিত প্ৰৱেশ কৰা।

**নতুন দিল্লী**
**জুলাই 31, 2020**

DISCLAIMER : This is an approximate translation. The original is available in English on MEA's website and may be referred to as the official press release.